# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 19-10-2025
**Time :** 1205 Hrs

## ***Assamese Mid-day Bulletin***

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত  দপ্তৰৰ কিছু সাল-সলনি কৰা হৈছে। কালি নতুনকৈ অন্তৰ্ভুক্ত বি পি এফৰ বিধায়ক চৰণ বড়োক বড়োলেণ্ড কল্যাণ বিভাগৰ লগতে পৰিবহণ বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। পূৰ্বে পৰিবহণ বিভাগ যোগেন মহনৰ আৰু বড়োলেণ্ড কল্যাণ বিভাগ উৰ্খাও গৌড়া ব্ৰহ্মৰ দায়িত্বত আছিল। সম্প্ৰতি শ্ৰীব্ৰহ্ম ভূমি সংৰক্ষণ, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ দায়িত্বত থাকিব। মন্ত্ৰী যোগেন মহনৰ পৰিবহণ দপ্তৰ কৰ্তন কৰি নতুনকৈ লোকনিৰ্মাণ, গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ দায়িত্ব দিয়া হৈছে। পূৰ্বৰ দৰে শ্ৰীমহন পাৰ্বত্য উন্নয়ন, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিকাশ তথা সংস্কৃতিৰ বিভাগৰ দায়িত্বত থাকিব। একেদৰে মন্ত্ৰী নন্দিতা গাৰ্লোচাক লোকনিৰ্মাণ, গৃহ আবু ৰাষ্ট্ৰীয় ঘাইপথ দপ্তৰৰ পৰা অব্যাহতি দিয়া হৈছে। মন্ত্ৰীগৰাকী পূৰ্বৰ দৰে ক্ৰীড়া আৰু যুৱ কল্যাণ তথা সংখ্যালঘু উন্নয়ন বিভাগৰ দায়িত্বত থাকিব। উল্লেখযোগ্য যে, কালি গুৱাহাটীৰ ৰাজভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই বি পি এফৰ চৰণ বড়োক মন্ত্ৰীৰূপে শপত বাক্য পাঠ কৰোৱায়।

০০০০০০০

ৰাজ্যৰ গৃহ আৰু ৰাজনৈতিক বিভাগে এটা নিৰ্দেশ যোগে অসম আৰক্ষীৰ ৩৬ গৰাকী উচ্চ পদস্থ বিষয়া বদলি কৰিছে। এই অনুসৰি শ্ৰীভূমিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতীম দাসক কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অৰ্থাৎ এছ এছ পি হিচাপে বদলি কৰা হৈছে। ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক লীনা দলেক অনুৰূপ পদত শ্ৰীভূমি জিলালৈ বদলি কৰা হৈছে। কাহিলিপাৰাস্থিত চতুৰ্থ অসম আৰক্ষী বেটেলিয়নৰ কামাণ্ডেণ্ট দেৱাশীষ বৰাক ধুবুৰীৰ এছ এছ পি হিচাপে আৰু কাছাৰৰ এছ এছ পি নোমল মাহাত্তাক কোকৰাঝাৰৰ এছ এছ পি হিচাপে বদলি কৰা হৈছে। কোকৰাঝাৰৰ অনুৰূপ দায়িত্বত থকা পুষ্পৰাজ সিঙক কাৰ্বি আংলঙলৈ আৰু কাৰ্বি আলঙৰ এছ এছ পি সঞ্জীৱ কুমাৰ শইকীয়াক কামৰূপলৈ বদলি কৰা হৈছে। একেদৰে শিৱসাগৰৰ এছ এছ পি শুভ্ৰজ্যোতি বৰাক যোৰহাটলৈ আৰু যোৰহাটৰ এছ এছ পি শ্বেতাংগ মিশ্ৰক কাহিলিপাৰাস্থিত চতুৰ্থ অসম আৰক্ষী বেটেলিয়নৰ কামাণ্ডেণ্ট হিচাপে বদলি কৰা হৈছে। গুৱাহাটীৰ অতিৰিক্ত উপ আৰক্ষী আয়ুক্ত সম্ভৱী মিত্ৰক গুৱাহাটী মধ্য আৰক্ষী জিলাৰ উপ আৰক্ষী আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। একেদৰে গুৱাহাটীৰ উপ আৰক্ষী আয়ুক্ত পদ্মনাভ বৰুৱাক দুৰ্নীতি নিবাৰক শাখাৰ এছ এছ পি হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ আজি এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে শিল্পীগৰাকীৰ কাহিলিপাৰাস্থিত বাসগৃহত মাঙ্গলিক কাৰ্যসূচী আয়োজন কৰা হৈছে। শিল্পীগৰাকীৰ পৰিয়ালৰ লোকে এই এমহীয়া তিথিৰ আয়োজন কৰিছে।

ইপিনে, ডিমৰীয়াবাসী ৰাইজে জুবিন গাৰ্গৰ সোণাপুৰৰ কমাৰকুছিৰ স্মৃতিক্ষেত্ৰত আজি গীতা পাঠ, সংকীৰ্তন, সৰ্বধৰ্ম প্ৰাৰ্থনা, এশগৰাকী নামতী দলৰ নাম-প্ৰসংগ, এশগৰাকী বাঁহীবাদকৰ দ্বাৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে নিশালৈ ভাওনা পৰিবেশনৰ উদ্যোগ গ্ৰহণ কৰিছে। বৃহত্তৰ বৰপেটা সমাজ, গুৱাহাটীৰ উদ্যোগত লতাশিল খেলপথাৰত জুবিন গাৰ্গৰ মৃত্যু এমাহ উপলক্ষে নাম-প্ৰসংগকে ধৰি বিভিন্ন আধ্যাত্মিক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। একেদৰে উত্তৰ গুৱাহাটীত সাতগাঁও শিক্ষা নিকেতনৰ শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকসকলৰ উদ্যোগত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শিল্পীগৰাকীৰ বিয়োগৰ এমাহ উপলক্ষে আজি ওদালগুৰি জিলাত দাপোন দা মিৰৰ, টংলা আৰু টংলা জুবিন গাৰ্গ ফেন ক্লাবৰ সহযোগত শ্ৰদ্ধাঞ্জলি তথা স্মৃতিসৌধ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি পুৱা শিল্পীগৰাকীৰ চিতাভস্ম কুলশী নৈত বৈদিক নীতি-নিয়মেৰে বিসৰ্জন দিয়া হয়।

ইপিনে, বজালী জিলাৰ পাঠশালাতো কালি শিল্পীগৰাকীৰ স্মৃতিত ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰা হয়। উপস্থিত জনতাই শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱাৰ লগতে তেওঁৰ ৰহস্যজনক মৃত্যুৰ ন্যায় কামনা কৰে। বিশ্বনাথ জিলাৰ বিহালী সমষ্টিৰ ঐতিহ্যমণ্ডিত গাংমৌথানৰ গাংমৌথান কালী পূজা উদযাপন সমিতিয়ে ৰাজ্যৱাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত কালি হাতে হাতে ম'ম শিখা লৈ এটা পদযাত্ৰা উলিয়ায়।

oooooooo

যোৰহাট জিলাৰ মৰিয়নি মহাবিদ্যালয়ৰ খেলপথাৰত আজি অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ অধিৱেশন অনুষ্ঠিত হ'ব। অধিৱেশনত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা। কালি যোৰহাট জিলা আয়ুক্ত জয় শিৱানী আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই অধিৱেশনৰ প্ৰস্তুতিৰ বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ অৰ্থে স্থান পৰিদৰ্শন কৰে। ইপিনে মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়েও অধিৱেশন হ'বলগীয়া স্থান পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

ooooooo

দৰং জিলা সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যসূচী **আকাশ** উপ-সমিতিৰ বাৰ্ষিক সন্মিলনখন আজি অনুষ্ঠিত হৈছে। পুৱা ৭ বজাত সমূহীয়া পৰিৱেশ নিকাকৰণ কাৰ্যসূচীৰে কাঠপৰি নামঘৰ প্ৰাংগণত আৰম্ভ হোৱা এই সন্মিলনত গছপুলি ৰোপণ, পতাকা উত্তোলন, স্মৃতি তৰ্পণ আদিও কৰা হ'ব। একেদৰে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু এশগৰাকী শিল্পীৰ দ্বাৰা তেওঁৰে সৃষ্ট গীত পৰিৱেশন কৰাৰ লগতে স্মাৰক বক্তৃতানুষ্ঠানৰো আয়োজন কৰা হৈছে। পূব মঙলদৈ সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত এই সন্মিলনত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত দৰং জিলা সাহিত্য সভাই প্ৰকাশ কৰা **মায়াবিনী** শীৰ্ষক এখন কবিতা আৰু প্ৰবন্ধ সংকলনো উন্মোচন কৰা হ'ব আমাৰ মঙলদৈৰ সংবাদদাতাই জনাইছে।

ooooooo

**সমাপ্ত**